 AKR/62/16

2016—17

# ASSAMESE

## SECOND PAPER

*Full Marks* : 200

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

### ক—শাখা

যি কোনো আঠটা প্ৰশ্নৰ উত্তৰ দিয়াঁ, প্ৰতিটো ২৫০ শব্দৰ ভিতৰত

১। "'জীৱনৰ বাটত' উপন্যাসখন অসমীয়া উপন্যাস-সাহিত্যৰ এক মাইলৰ খুটি।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰি এটি আলোচনা যুগুত কৰাঁ। ২০

২। 'ডাৱৰ আৰু নাই' উপন্যাসখনৰ মহত্ত্ব নিৰূপণ কৰি অসমীয়া উপন্যাস-সাহিত্যত তাৰ স্থান নিৰ্ণয় কৰাঁ। ২০

৩। 'মিৰি জীয়ৰী' উপন্যাসখনৰ মাজেৰে মিছিং জনগোষ্ঠীৰ সমাজ-জীৱনৰ প্ৰতিফলন কেনেদৰে ঘটিছে, বৰ্ণনা কৰাঁ। ২০

৪। ঐতিহাসিক উপন্যাসৰ বৈশিষ্ট্যৰ আধাৰত 'ভানুমতী' উপন্যাসখনৰ বিচাৰ কৰা। ভানুমতীৰ চৰিত্ৰ সৃষ্টিত অন্য কোনো উপন্যাসৰ প্ৰভাৱ আছে নেকি, তাৰ বিষয়েও এটি অৱলোকন কৰা। ১২+৮=২০

৫। লক্ষ্মীনাথ বেজবৰুৱাক অসমীয়া চুটিগল্পৰ জনক বুলি কোৱাৰ কাৰণ কি? যি কোনো এটা প্ৰতিনিধিস্থানীয় গল্পৰ আধাৰত বেজবৰুৱাৰ চুটিগল্পৰ প্ৰমুখ বৈশিষ্ট্য নিৰূপণ কৰা। ১০+১০=২০

৬। 'চিৰাজ' গল্পটিৰ আধাৰত লক্ষ্মীধৰ শৰ্মাই কি বক্তব্য আগবঢ়াইছে, বিৱৰি লিখা। ২০

৭। শৰৎচন্দ্ৰ গোস্বামীৰ 'নদৰাম' গল্পটিত নদৰামৰ চাৰিত্ৰিক বৈশিষ্ট্য কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা। 'আৱাহন' যুগৰ গল্পকাৰ হিচাপে গোস্বামীদেৱৰ বিশেষত্ব ক'ত, আভাস দিয়া। ১০+১০=২০

৮। মহিম বৰাৰ 'কাঠনিবাৰী ঘাট' গল্পত পৰিবেশ চিত্ৰণ আৰু জীৱনৰ মৰ্মান্তিক বাস্তৱতা কেনেদৰে ৰূপায়িত হৈছে, আলোচনা কৰা। ২০

৯। ভবেন্দ্ৰনাথ শইকীয়াৰ 'এন্দুৰ' গল্পৰ মূল বিষয়বস্তু কি? গল্পটোত মনস্তাত্ত্বিক বিশ্লেষণৰ ভূমিকা সম্পৰ্কে লিখা। ১০+১০=২০

১০। ত্ৰৈলোক্যনাথ গোস্বামীৰ 'দুটকীয়া নোট' গল্পৰ আধাৰত তাৰ বিষয়বস্তু আৰু আংগিকৰ পৰিচয় দাঙি ধৰা। ২০

১১। "হলিৰাম ডেকা 'আৱাহন' যুগৰ এগৰাকী সাৰ্থক গল্পকাৰ।" কথাষাৰৰ সত্যতা প্ৰমাণ কৰি তেওঁৰ গল্পত মানৱ চৰিত্ৰৰ বিশ্লেষণ সম্পৰ্কে আভাস দিয়াঁ। ২০

১২। "চৈয়দ আব্দুল মালিকৰ 'কাঠফুলা' গল্পটিৰ উল্লেখনীয় দিশ হ'ল চৰিত্ৰৰ মনোবৈজ্ঞানিক বিশ্লেষণ।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰাঁ। ২০

## খ—শাখা

১৩ নং প্ৰশ্ন (বাধ্যতামূলক) আৰু বাকী যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়াঁ

১৩। তলৰ যি কোনো বিষয়ৰ এখন ৰচনা লিখাঁ (২৫০টা শব্দৰ ভিতৰত) : ২০

(ক) বিমুদ্ৰাকৰণ—ভাৰতীয় অৰ্থনীতিত ইয়াৰ প্ৰভাৱ

(খ) জনসংখ্যা বিস্ফোৰণ

(গ) অসমৰ পৰ্যটন আৰু ইয়াৰ বিকাশ

(ঘ) তোমাৰ প্ৰিয় সাহিত্যিক

(ঙ) বৰ্তমান অসমৰ শিক্ষা-ব্যৱস্থা আৰু উন্নয়ন

(চ) অসমীয়া লোকসংস্কৃতিত বাঁহৰ স্থান

১৪। তলত দিয়া প্ৰতি যোৰ শব্দৰ অৰ্থৰ পাৰ্থক্য দেখুৱাই একোটাকৈ বাক্য ৰচনা কৰাঁ : ২×৫=১০

হাতী—হাটী ; বাত—বাট ; ভেটি—ভেঁটী ; কাহ—কাঁহ; সূচী—শুচি।

১৫। এটা শব্দত প্ৰকাশ কৰা : ২×৫=১০

(ক) যি পথৰ পৰা বিচলিত

(খ) তেৰ বছৰত পোৱালি দিয়া গাই

(গ) যাক দেখা নাযায়

(ঘ) থাৰণী সনা সৰিয়হৰ গুটি

(ঙ) মৃত্যুক যিয়ে জয় কৰিছে

১৬। তলৰ শব্দকেইটাৰ বিপৰীত অৰ্থ লিখা (যি কোনো দুটা) : ৫×২=১০

মসৃণ ; অনুৰাগ ; তপত ; বিপদ ; নিৰ্মল।

১৭। তলৰ প্ৰবচনকেইফাঁকিৰ অৰ্থ বুজাই লিখা : ৫×২=১০

(ক) গছত কঁঠাল, ওঁঠত তেল; নৌ-খাওঁতেই চেলবেল্

(খ) মাউখে উটিলে গুৰি পকুৱাৰো মৰণ নাই

★★★